অসম আদিত্য

# ডিব্ৰু মহাবিদ্যালয় পৰিদৰ্শন অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন শামালৰ




ডিব্ৰুগড়, ৬ ফেব্ৰুৱাৰী ঃ গুণোৎসৱ-২০২৪ৰ তৃতীয় পৰ্যায়ত অসম চৰকাৰৰ পাৰ্বত্য অঞ্চল, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, উচ্চশিক্ষা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন শামালে বহিঃ মূল্যায়ক হিচাপে ৬ ফেব্ৰুৱাৰীৰপৰা আৰম্ভ হোৱা ডিব্ৰুগড় জিলাত অংশগ্ৰহণৰ মাজতে জিলাখনৰ আগশাৰীৰ শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয় পৰিদৰ্শন কৰে। উক্ত পৰিদৰ্শনৰ সময়ত তেওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাইৰ সৈতে মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ গাঁথনিৰ বুজ লোৱাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময় কৰে। অনুষ্ঠানটোত বিশ্বৰঞ্জন শামালে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ গুৰুত্ব আৰু সামাজিক মাধ্যমত ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকাৰ বিষয়ে মত আগবঢ়ায়। লগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— প্ৰযুক্তিবিদ্যাই আমাৰ জীৱনশৈলীক আগুৱাই নিছে, গতিকে ইয়াক সদ্ব্যৱহাৰ কৰা উচিত। প্ৰযুক্তিবিদ্যাই আমাক চলাব নালাগে আমিহে প্ৰযুক্তিবিদ্যাক চলোৱা প্ৰয়োজন। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষই আদৰণী ভাষণ প্ৰদান কৰে। অনুষ্ঠানটো আঁত ধৰে মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ অদিতি বৰুৱাই। মহাবিদ্যালয়ৰ উপাধ্যক্ষা চন্দনা গগৈয়ে শলাগ জ্ঞাপন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ৰূপজ্যোতি হাজৰিকাৰ লগতে অন্যান্য অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল তথা বহুতো ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলে।

# ডিব্ৰুগড়ত গুণোৎসৱৰ প্ৰথম দিনা ৫৪৬ খন বিদ্যালয়ৰ বহিঃমূল্যায়ন

ডিব্ৰুগড়, ৬ ফেব্ৰুৱাৰী ঃৰাজ্যখনৰ শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ২০২৪ বৰ্ষৰ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ কাৰ্যসূচী ৰাজ্যৰ আন ৯ খন জিলাৰ লগতে ডিব্ৰুগড় জিলাতো অনুষ্ঠিত হৈছে। জিলাখনৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১,২৮,৬০০ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি ১,৬২০ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। আজি ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে টেঙাখাত শিক্ষাখণ্ডৰ সৰস্বতী দেৱী বাগ্ৰদিয়া উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি গুণোৎসৱ কাৰ্যসূচীত অংশ লয়। তেওঁ বিদ্যালয়খনৰ শৈক্ষিক দিশ তথা আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰ্যবেক্ষণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। একেদৰে অসম চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন স্বামলে বৰবৰুৱা শিক্ষা খণ্ডৰ সূৰজমল জালান বালিকা শিক্ষা সদন বিদ্যালয় আৰু অসম চৰকাৰৰ পাৰ্বত্য এলেকা উন্নয়ন বিভাগৰ সচিব স্মৃতাক্ষী বৰুৱাই টেঙাখাত শিক্ষা খণ্ডৰ গোপীনাথ বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত বহিঃমূল্যায়ক হিচাপে উপস্থিত হৈ বিদ্যালয়খনৰ যাৱতীয় নথি পৰ্যবেক্ষণ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। বহিঃমূল্যায়ক হিচাপে দুয়োগৰাকী বিষয়াই বিদ্যালয়ৰ আন্তঃগাঁথনি তথা পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰ্যবেক্ষণ কৰে। আনহাতে, ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই খোৱাং শিক্ষাখণ্ডৰ পথালিবাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু সৃজনশীল প্ৰতিভাৰ উমান লয়। আৰক্ষী অধীক্ষকগৰাকীয়ে শৈক্ষিক বিষয়ৰ সন্দৰ্ভত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতেও মত-বিনিময় কৰে। ৫ৰ পৰা ৮ ফেব্ৰুৱাৰীলৈকে অব্যাহত থাকিবলগীয়া গুণোৎসৱ-২০২৪ৰ প্ৰথমদিনা ৫ ফেব্ৰুৱাৰীত বিদ্যালয়সমূহৰ স্ব-মূল্যায়ন সম্পন্ন হোৱাৰ পিছত আজিৰে পৰা বহিঃমূল্যায়কসকলে বিদ্যালয়সমূহৰ মূল্যায়ন আৰম্ভ কৰিছে। গুণোৎসৱত বহিঃমূল্যায়কসকলে বিদ্যালয়খনৰ শৈক্ষিক দিশ তথা আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি সামগ্ৰিক পৰিৱেশৰ মূল্যায়ন কৰিব। এইবাৰ জিলাখনৰ ৬৪৫ গৰাকী বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক, শিক্ষক আৰু চৰকাৰী বিষয়াক বহিঃমূল্যায়ক হিচাপে নিয়োগ কৰা হৈছে। আজি জিলাখনৰ ৫৪৬ খন বিদ্যালয়ৰ বহিঃ মূল্যায়ন সম্পন্ন হয়। উল্লেখ্য যে গুণগত শিক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ২০১৭ চনৰ পৰাই শিক্ষা বিভাগে গুণোৎসৱ কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। গুণোৎসৱত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ লগতে বিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ মূল্যায়ন কৰা হয়।

**টেঙাখাতত গুণোৎসৱত জিলা আয়ুক্ত বিক্ৰম কৈৰী, বিশেষ প্ৰতিবেদক, টেঙাখাত, ৬ ফেব্ৰুৱাৰী** ঃৰাজ্যখনৰ শিক্ষাৰ গুণগত মান উন্নত কৰাৰ লক্ষ্যৰে অসম চৰকাৰে অনুষ্ঠিত কৰা তৃতীয় পৰ্যায়ৰ গুণোৎসৱ-২০২৪ কাৰ্যসূচী অনুসৰি আজি ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী(ভাঃ অঃ সেঃ) বহিঃমূল্যায়ক হিচাপে টেঙাখাত শিক্ষাখণ্ডৰ অন্তৰ্গত টেঙাখাত সৰস্বতী দেৱী বাগ্ৰদিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত থাকি বিদ্যালয়খনৰ মূল্যায়ন কৰে। পুৱা জিলা আয়ুক্তগৰাকী বিদ্যালয়খনত উপস্থিত হৈ প্ৰথমে শিক্ষক-শিক্ষয়িত্ৰী, মাতৃগোট তথা বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ লগত বিদ্যালয়খনৰ শিক্ষাৰ গুণগত মান উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি মত-বিনিময় কৰে। ইয়াৰ পিছতে বিদ্যালয়ৰ লাইব্ৰেৰী, লেবৰেটৰী, প্ৰেক্ষাগৃহ আদি কৰি অনান্য আন্তঃগাঁথনিসমূহ পৰিদৰ্শন কৰে। লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত লিখিত পৰীক্ষাত নিৰীক্ষক হিচাপে শ্ৰেণী কোঠাত উপস্থিত থাকে। শেষত অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ বহু প্ৰশ্নৰ উত্তৰ প্ৰদান কৰি আগন্তুক দিনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ কামনা কৰে। উল্লেখ্য যে টেঙাখাত শিক্ষাখণ্ডৰ সৰ্বমুঠ ২৮৪ খন বিদ্যালয়ৰ ভিতৰত নিম্ন পৰ্যায়ৰ ২৩৬ খন, উচ্চ প্ৰাথমিক পৰ্যায়ৰ ২২ খন আৰু উচ্চ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ২৬ খন বিদ্যালয়ৰ ২১,২২২ জন ছাত্ৰ-ছাত্ৰীক সামৰি তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত কৰা হ'ব। ইয়াৰ ভিতৰত আজি ৯৬ খন, ৭ ফেব্ৰুৱাৰীত ৯৫ খন আৰু ৮ ফেব্ৰুৱাৰীত ৯৩ খন বিদ্যালয়ত এই গুণোৎসৱ অনুষ্ঠিত কৰা হ'ব।

**টিংখাঙৰ বিদ্যালয়ে বিদ্যালয়ে অনুষ্ঠিত হৈছে গুণোৎসৱ, বিশেষ প্ৰতিনিধি, টিংখাং, ৬ ফেব্ৰুৱাৰী ঃ** প্ৰতিকূল বতৰকো নেওচি ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে ডিব্ৰুগড় জিলাতো অনুষ্ঠিত হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ-২০২৪। শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ২০২৪ বৰ্ষৰ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ কাৰ্যসূচীত ডিব্ৰুগড় জিলাৰ সকলো চৰকাৰী, প্ৰাদেশীকৃত, প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়, চাহ বাগিচা, আদৰ্শ বিদ্যালয় আৰু দুখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ক সাঙুৰি ১,৬২০ খন বিদ্যালয়ত এই গুণোৎসৱ-২০২৪ অনুষ্ঠিত হৈছে। এইবাৰৰ গুণোৎসৱ-২০২৪ত ডিব্ৰুগড় জিলাত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে মুঠ ১,২৮,৬০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। ডিব্ৰুগড় জিলাৰ জয়পুৰ শিক্ষা খণ্ডৰ অধীনৰ টিংখাঙৰ কেইবাশতাধিক ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ আগশাৰীৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় শ্ৰীবাংগোৰ উচ্চ মাধ্যমিক বিদ্যালয়ত গুণোৎসৱক লৈ বিদ্যালয়খনৰ চৌহদত এটা সুন্দৰ পৰিৱেশে বিৰাজ কৰে। চাৰিশতাধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনত পুৱা প্ৰাতঃসভা আৰম্ভ হোৱাৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱালৈকে এক সুস্থ বাতাৱৰণ বিৰাজ কৰা পৰিলক্ষিত হয়। চৰকাৰে শৈক্ষিক ফলাফল উন্নত কৰি গুণগত প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই গুণোৎসৱ কাৰ্যসূচীক আদৰণি জনায় বিদ্যালয় কৰ্তৃপক্ষই।

□ অসম আদিত্য, ডিব্ৰুগড় □ বুধবাৰ, ৭ ফেব্ৰুৱাৰী, ২০২৪ □ ২৩ মাঘ, ১৯৪৫ শক □